# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-11-2025

**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ৰাজ্য চৰকাৰে স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ ফলত বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত  আয়োজিত এটা অনুষ্ঠানত প্ৰাথমিক শিক্ষক পদৰ বাবে বাচনিকৃত ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰি ভাষণ প্ৰসঙ্গত এই কথা প্ৰকাশ কৰে। আজি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। বৰ্তমান সময়ত ৰাজ্য চৰকাৰে স্বচ্ছতা আৰু মেধাসম্পন্ন লোকৰ নিযুক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ ফলত যুৱক-যুৱতীসকলৰ মাজত পঢ়া-শুনা কৰিলে চৰকাৰী নিযুক্তি পাব পাৰি বুলি আশাৰ সঞ্চাৰ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰ্তমান সময়ৰ নিযুক্তিৰ পৰিবেশ ৰাজ্যত পূৰ্বতে কেতিয়াও হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড০ শৰ্মাই কয় যে বৰ্তমান ৰাজ্যখনত শিক্ষিত যুৱক-যুৱতীৰ ভালেমান প্ৰয়োজন আছে। চৰকাৰী খণ্ডত সংস্থাপন নোপোৱা যুৱক-যুৱতীসকলে ব্যক্তিগত খণ্ডত নিযুক্তি পাব পৰাৰ এটা পৰিবেশ ৰাজ্যখনত সৃষ্টি হৈছে বুলি ভাষণ প্ৰসঙ্গত তেওঁ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উদ্যোগসমূহত নিযুক্তিৰ সুবিধা পাব পৰাৰ কথা উল্লেখ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ আনুষ্ঠানিকভাৱে অন্ন সেৱা দিন মুকলি কৰিব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব।

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত ধেমাজী জিলাত কাইলৈৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালক ৰাজ সাহায্যযুক্ত মচুৰ ডাইল, চেনী, আৰু নিমখ সুলভ মূল্যত যোগান ধৰা হ'ব। এই সন্দৰ্ভত আজি ধেমাজী জিলাৰ আয়ুক্ত ৰাহুল সুৰেশ জাবীৰে সংবাদমেল সম্বোধন কৰি জিলাখনৰ এহেজাৰ ১০২ খন সুলভ মূল্যৰ দোকানত  কাইলৈৰ পৰা এই সামগ্ৰী বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰথম পৰ্যায়ত পৰিয়ালসমূহে প্ৰতি কিলোগ্ৰাম মচুৰ ডাইল ৬৯ টকা, নিমখ প্ৰতি কিলোগ্ৰামত ১০ টকা আৰু চেনী প্ৰতি কিলোগ্ৰামত ৩৮ টকা মূল্যত কিনিব পাৰিব।

শিৱসাগৰ জিলাত এহেজাৰ ২৬ খন সুলভ মূল্যৰ দোকানত এক লাখ ৬১ হাজাৰ ৭৭৩ টা পৰিয়ালে কাইলৈৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত এই সুবিধা লাভ কৰিব।

হোজাই জিলাত জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে সংবাদ মেল সম্বোধন কৰি এই আঁচনিখনৰ জৰিয়তে জিলাখনৰ ৮ হাজাৰ ১২ খন সুলভ মূল্যৰ দোকানৰ পৰা গ্ৰাহক ৰাইজে এই সুবিধা গ্ৰহণ কৰিব পাৰিব বুলি প্ৰকাশ কৰে।

শ্ৰীভূমি জিলাতো অন্ন সেৱা দিৱস উপলক্ষে সামগ্ৰীসমূহ শৃংখলিতভাৱে বিতৰণ কৰাত সকলো নাগৰিকক সহযোগিতা কৰিবলৈ জিলা প্ৰশাসনে আহ্বান জনাইছে। ০০০০

০০০০০০

বিশ্বনাথ চাৰিআলিত কাইলৈ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ১৫০ বছৰীয়া জয়ন্তী উপলক্ষে পদযাত্ৰা সমাপ্ত কৰা হ'ব। এই পদযাত্ৰাত স্বচ্ছ ভাৰত ড্ৰাগছ বিৰোধী অভিযান, নাৰী সৱলীকৰণ, ৰক্তদান শিবিৰ, বৃক্ষৰোপণ আদি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সম্পৰ্কে বিশ্বনাথৰ জিলা আয়ুক্ত কাৰ্যালয়ত সাংসদ ৰণজিৎ দত্ত আৰু জিলা আয়ুক্ত সীমান্ত কুমাৰ দাসে সংবাদমেল সম্বোধন কৰে।

০০০০০০

অসম সাহিত্য সভাৰ উদ্যোগত আজি শিৱসাগৰ বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত সুৱাগ তোলা শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ যোৰহাটস্থিত চন্দ্ৰকান্ত সন্দিকৈ ভৱনটোৰ অহা ২ ডিচেম্বৰত ১০০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এই কাৰ্যসূচীত সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি এটা বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডকমকাত থকা বন বিভাগৰ পৰিদৰ্শন ভৱনত আজি জিলা নিৰ্বাচনৰ বিভাগৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনুৰাগ গোৱেলৰ উপস্থিতিত হোৱা বৈঠকত অহা বছৰ ৰাজ্যত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ পৰিচালনাৰ ক্ষেত্ৰত বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০

মাজুলী জিলা চিকিৎসালয়ক সহযোগত আজি নামনি মাজুলীৰ ভালুকমৰাত স্বাস্থ্য সজাগতা আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষাৰ এটি শিবিৰ অনুষ্ঠিত হয়। অনুষ্ঠানত ভালেমান লোকৰ স্বাস্থ্য পৰীক্ষা কৰা হয়।

০০০০০০

সদৌ অসম ধেমাজি জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ নৱনিৰ্বাচিত কেন্দ্ৰীয় সমিতিয়ে আজি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। বোকাখাতত অলপতে অনুষ্ঠিত সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশনত নতুন সমিতিখন গঠন কৰিছিল।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেনৰ বহুমুখী ভৱনত মুখ্যমন্ত্ৰী সাহায্য পুজিৰ চেক বিতৰণ আৰু মত বিনিময় কাৰ্যসূচী আজি ৰূপায়ণ কৰা হয়। চো চেং পৰিষদীয় সমষ্টিৰ পাৰিষদ হেদচিং ৰংফাৰে এই কাৰ্যসূচীত মহাবিদ্যালয় পৰ্যায়ৰ ২০০ গৰাকী শিক্ষাৰ্থীক প্ৰায় ৩০ লাখ টকাৰ চেক বিতৰণ কৰে। ইয়াৰ উপৰি পাৰিষদগৰাকীয়ে চং ছে' পৰিষদীয় সমষ্টিৰ একাংশ কৃতী ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে।

০০০০০০

**সমাপ্ত**